ৰ উক্তি

…ৰ্কৰ অস্থিৰতা
…মন্ত্ৰী মোডীৰ লগতে
…চৰত ক্ষমা খোজক
…ত মহম্মদ মুইজ্জুৰে।

মালদ্বীপ জামহৰি পাৰ্টিৰ
নেতা কাছিম ইব্ৰাহিম

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

…ন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ৭৮ বুধবাৰ ১৬ মাঘ ১৯৪৫ শক ৩১ জানুৱাৰী ২০২৪ চন ASOMIYA KHABAR JORHAT WEDNESDA…

## ড° জয়ন্ত বৰুৱা সভাপতি, পৰাগজ্যোতি মহন্ত সম্পাদক নিৰ্বাচিত

# অসম কলেজ শিক্ষক সংস্থাৰ অধিৱেশনৰ সামৰণি




ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩০ জানুৱাৰী ঃ আৱেগিক মুহূৰ্তৰে সামৰণি পৰিল মহাৰজত জয়ন্তী বৰ্ষ গৰকা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮ সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন। অসম কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় মণ্ডলৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ আতিথ্যত ডি এইছ এছ্ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা চাৰিদিনীয়া এই বৰ্ণিল কাৰ্যসূচীত অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে বিভিন্ন মাহবিদ্যালয়ৰ পৰা অহা অধ্যাপক-অধ্যাপিকাসকল চাৰিদিন একত্ৰিত হৈ এটা পৰিয়ালৰ দৰে থাকি আজি এই বিদায় পৰত সকলোৰে চকু সেমেকি পৰা পৰিলক্ষিত হ'ল। অনুষ্ঠান শেষ হোৱাৰ পাছতো অধ্যাপক-অধ্যাপিকাসকলে মহাবিদ্যালয় চৌহদৰ বিভিন্ন স্থানত বৈ বিভিন্ন আলোচনা কৰি থকা দেখা পোৱা গ'ল। যেন মহাবিদ্যালয়খনক এৰি যাব বিচৰা নাই কোনেও। এক আৱেগিক মুহূৰ্তৰ মাজেৰে অনুষ্ঠিত হোৱা অধিৱেশনৰ আজি অন্তিম দিনৰ কাৰ্যসূচী মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্তই কয়, একৈশ শতিকাৰ পাছৰে পৰা শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন হৈছে। বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহ কমা পৰিলক্ষিত হৈছে। তাৰ উপায় স্বৰূপে তেওঁ উদ্যমিতা, ঔদ্যোগিক চিন্তাক আগবঢ়াই দি ছাত্ৰ-ছাত্ৰীসকলক পুনৰ শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলাত গুৰুত্ব প্ৰদান কৰিব লাগিব বুলি মতপ্ৰকাশ কৰে। তেওঁ কয়, শিক্ষকসকলে আত্মবিশ্লেষণৰ মাধ্যমৰে সমাজৰ প্ৰতি থকা দায়িত্ব নতশিৰে স্বীকাৰ কৰি সমাজখনক আগুৱাই নিব লাগিব। অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই আঁতধৰা মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে ডি এইছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮ সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয়, অসমৰে নহয়, সমগ্ৰ দেশৰ এটা শক্তিশালী বৌদ্ধিক সংগঠন অসম কলেজ শিক্ষক সংস্থাৰ শক্তি আৰু কৰ্মৰ ইতিহাস আছে। সেই ইতিহাস এক বৰ্ণিল ইতিহাস আৰু ইয়াক পাহৰি যোৱাতো কোনোপধ্যে উচিত নহয়। তেওঁ অসম কলেজ শিক্ষক সংস্থাৰ বৰ্ণিল ইতিহাসক সকলোৱে মিলি শক্তিশালী কৰি ৰখাৰ প্ৰতি আহ্বান জনায়। অসম কলেজ শিক্ষক সংস্থাৰ গোলাঘাট মণ্ডলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ড° দেৱজিৎ দত্তই সভাপতিত্ব কৰা সভাখনত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই কয়, জীৱনবোৰক জীৱনৰূপে সজাই তুলিবলৈ প্ৰেৰণা দিয়ে আৰু সমাজৰ দিশ নিৰ্ণয় কৰে শিক্ষাগুৰুসকলে। অনুষ্ঠানত অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি নৰেন চাংমাই, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনৰ্বাহক সদস্য সদানন্দ দত্ত, অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দিগন্ত হাতীবৰুৱাই মননশীল বক্তৃতা প্ৰদান কৰে। ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে পৰিৱেশন কৰা মহাবিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা মুকলি সভাখনত সভাপতিৰ অভিভাষণ পাঠ কৰে অসম কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেনে। উল্লেখ্য যে আজিৰ এই মুকলি সভাতে নগাঁও-মৰিগাঁও মণ্ডলৰ সদস্য ত্ৰিদীপ কুমাৰ গোস্বামীৰ 'Beyond the Rainbow' শীৰ্ষক কবিতা পুথিখন উন্মোচন কৰোৱা হয়। অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্তৰ লগতে শলাগ জ্ঞাপন কৰে অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই। উল্লেখ্য যে ২০২৪ বৰ্ষৰ বাবে অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ নিৰ্বাচনত সভাপতিৰ পদত ড° জয়ন্ত বৰুৱা জয়ী হোৱাৰ বিপৰীতে সম্পাদক পদত পৰাগজ্যোতি মহন্ত বিজয়ী হয়। আনহাতে, উপ-সভাপতিৰ পদত বিপুল চক্ৰৱৰ্তী, উপ-সভাপতি মহিলাৰ বাবে সংৰক্ষিত পদত ড° ববিতা দাস জয়ী হয়। বিত্ত সম্পাদকৰ পদত প্ৰাঞ্জল গগৈ, সাংগঠনিক সম্পাদকৰ পদত ড° হজৰত আলী, শৈক্ষিক সম্পাদকৰ পদত ড° বিজু মৰাণ আৰু মহিলা কোষৰ সম্পাদকৰ পদত বন্দিতা বৰবৰা বিজয়ী হয়। অধিৱেশনত স্থানীয় লোকসকল উপস্থিত থাকি সহায়-সহযোগিতা কৰে বুলি জানিবলৈ দিছে।

Date
05-02-20…
(Monda…
06-02-20…
(Tuesday…
07-02-20…
(Wednes…
08-02-20…
(Thursda…
09-02-20…
(Friday)
10-02-20…
(Saturday…
11-02-20…
(Sunday)
12-02-20…
(Monday…
Janasa…